# বৈষ্ণৱ দাৰ্শনিক মধ্বাচাৰ্যৰ জীৱন আৰু দৰ্শন

ড° গিৰীশ বৰুৱা

'মহাভাৰত তাৎপৰ্য নিৰ্ণয়' নামৰ গ্ৰন্থত মধ্বাচাৰ্যই তেওঁৰ জন্ম কলি যুগৰ ৪৩০০-ত হৈছিল বুলি লিখিছে। কোৱা হয় যে কলি যুগ আৰম্ভ হৈছিল, ৩,১০১ খ্ৰীঃপূঃত। এই হিচাপত মধ্বৰ জন্ম হ'ব ১১৯৯ খ্ৰীঃত বা ১১২১ শকত। কিন্তু তেওঁ যিহেতু ভাগৱত পুৰাণৰ কথা উল্লেখ কৰিছে, সেয়ে তেওঁৰ জন্ম এই সময়ৰ পাছৰ।

মধ্বাচাৰ্য ৭৯ বছৰ জীয়াই আছিল। তেওঁ অচ্যুতপ্ৰেক্ষৰ শিষ্য আছিল। ১২৭৬ খ্ৰীঃত (শক ১১৯৮) তেওঁৰ মৃত্যু হয়।

কোৱা হয় যে মধ্ব বায়ু দেৱতাৰ এক অৱতাৰ। তেওঁ মধ্যগেহ ভট্টৰ পুত্ৰ আছিল। এই মধ্যগেহ ভট্ট উদিপিৰ ওচৰৰ ৰজতপীঠত বাস কৰিছিল। এই ঠাই শ্ৰীংগেৰিৰপৰা ৪০ মাইল দূৰত অৱস্থিত। এই ঠাইতে এটি শংকৰ-মঠ আছে। তেওঁৰ পিতৃৰ স্থান ৰজনপীঠ, বৰ্তমানৰ কল্যাণপুৰ।

মধ্বই দ্বিজ হোৱাৰ পাচত পূৰ্ণপ্ৰজ্ঞ নাম লয়। তেওঁৰ আন এটা নাম আনন্দতীৰ্থ।

মধ্বই দক্ষিণ ভাৰতত বিস্তৰ ভ্ৰমণ কৰে। তেওঁ বিষ্ণুক আৰাধনা কৰিবৰ বাবে ধনুষ্কোটি আৰু ৰামেশ্বৰমলৈ যায়। তেওঁ ৰামেশ্বৰমত চাৰিমাহ কাল থাকে। তাৰ পাচত তেওঁ উদিপিলৈ ঘূৰি আহে। এইদৰে তেওঁ দক্ষিণত বহুত মানুহক তেওঁৰ বিশ্বাসৰ ফলীয়া কৰে।

মধ্বই উত্তৰ ভাৰতলৈও ফুৰিবলৈ আহে। তেওঁ গংগা পাৰ হৈ হৰিদ্বাৰলৈ যায়। তাৰ পিছত বদৰিকালৈ যায়। তাতে তেওঁ ব্যাসক লগ পায়। তাতে তেওঁক ব্যাসে শংকৰাচাৰ্যৰ ব্ৰহ্মসূত্ৰ ভাষ্যক খণ্ডন কৰি এখন ভাষ্য লিখিবলৈ পৰামৰ্শ দিয়ে। তাৰ পাছত তেওঁ পুনৰ উদিপিলৈ ঘূৰি আহে। তাত তেওঁ বহুতো শংকৰপন্থীক নিজৰ মতলৈ আনে। শেষত তেওঁ নিজৰ গুৰু অচ্যুতাপ্ৰক্ষকো নিজৰ মতলৈ আনে।

কোৱা হয় যে শ্ৰীংগেৰি মঠৰ মুৰব্বী পদ্মতীৰ্থই মধ্বক শাস্তি বিহে। তেওঁ আনকি মধ্বৰ কিতাপ-পত্ৰবোৰকো লুকাই পেলায়।

জীৱনৰ শেষ পৰ্যায়ত মধ্বই আৰু এবাৰ উত্তৰ ভাৰত ভ্ৰমণ কৰে। এইবাৰো তেওঁ ব্যাসক লগ ধৰে।

মধ্বই সৰ্বমুঠ ৩৭ খন গ্ৰন্থ লিখে। যেনে, (১) ঋগ্-ভাষ্য, (ঋগবেদৰ ১ম মণ্ডলৰ ১ৰ পৰা ৪০ সূক্তলৈ), (২) ক্ৰম-নিৰ্ণয় (ঐতৰেয় ব্ৰাহ্মণ, ঐতৰেয় আৰণ্যক আদি কেনেকৈ পঢ়িব লাগে তাৰ আলোচনা), (৩) ঐতৰেয় উপনিষদ ভাষ্য, (৪) বৃদাৰণ্যক উপনিষদ ভাষ্য, (৫) ছান্দোগ্য উপনিষদ ভাষ্য, (৬) তৈত্তিৰীয় উপনিষদ ভাষ্য, (৭) ঈশাৱাস্য উপনিষদ ভাষ্য, (৮) কঠ উপনিষদ ভাষ্য, (৯) মুণ্ডক উপনিষদ ভাষ্য, (১০) গাণ্ডুক্য উপনিষদ ভাষ্য, (১১) প্ৰশ্নোপনিষদ ভাষ্য, (১২) কেনোপনিষদ ভাষ্য, (১৩) মহাভাৰত তাৎপৰ্য নিৰ্ণয়, (১৪) ভগৱদগীতা ভাষ্য, (১৫)ভগৱদগীতা তাৎপৰ্য নিৰ্ণয়, (১৬) ভাগৱত তাৎপৰ্য নিৰ্ণয়, (১৭) ব্ৰহ্মসূত্ৰ ভাষ্য, (১৮) ব্ৰহ্মসূত্ৰ অনুভাষ্য, (১৯) ব্ৰহ্মসূত্ৰ অনুব্যাখ্যান, (২০) ব্ৰহ্মসূত্ৰ অনুব্যাখ্যান নিৰ্ণয়, (২১) প্ৰমাণ লক্ষণ, (২২) কথা লক্ষণ, (২৩) উপাধি খণ্ডন, (২৪) মায়াবাদ খণ্ডন, (২৫) প্ৰপঞ্চ মিথ্যা অনুমান খণ্ডন, (২৬) তত্ত্বোদ্দ্যোত, (২৭) তত্ত্ব ৱিৱেক, (২৮) তত্ত্ব সংখ্যান, (২৯) বিষ্ণু তত্ত্ব নিৰ্ণয়, (৩০) তন্ত্ৰ সাৰ সংগ্ৰহ, (৩১) কৃষ্ণামৃত মহাৰ্ণৱ, (৩২) যতি প্ৰণৱ কল্প, (৩৩) সদাচা স্মৃতি, (৩৪) জয়ন্তী নিৰ্ণয়, (৩৫) যমক ভাৰত, (৩৬) নৃসিংহ নখ স্তোত্ৰ, (৩৭) দ্বাদশ স্তোত্ৰ।

এতিয়া আমি ওপৰৰ গ্ৰন্থবোৰৰ কেইখনমানৰ ওপৰত অলপ আলোচনা আগবঢ়াব খুজিছোঁ।

তেওঁৰ মহাভাৰত তাৎপৰ্য নিৰ্ণয় এখন উল্লেখযোগ্য গ্ৰন্থ। এই গ্ৰন্থত ৩২ টা অধ্যায় আছে। এইখন এখন কাব্যগ্ৰন্থ। প্ৰথম অধ্যায়ত কোৱা হৈছে যে চাৰি বেদ, পঞ্চৰাত্ৰ শাস্ত্ৰ, মহাভাৰত, ৰামায়ণ আৰু ব্ৰহ্মসূত্ৰ এই কেইখনেই প্ৰামাণিক উৎস-গ্ৰন্থ। এই গ্ৰন্থকেইখনক বিৰোধিতা কৰাটো অবৈধ। বৈষ্ণৱ পুৰাণবোৰ পঞ্চৰাত্ৰ শাস্ত্ৰৰ বিবৃত্তিৰ বাহিৰে আন একো নহয়। অৱশ্যে এইবোৰকো প্ৰামাণ্য গ্ৰন্থ ৰূপে মানিব লাগিব। বেদ, মহাভাৰত, পঞ্চৰাত্ৰ আৰু বৈষ্ণৱ পুৰাণবোৰৰ বিৰুদ্ধাচৰণ নকৰালৈকেহে মনু আদি স্মৃতি গ্ৰহণযোগ্য।

মধ্বৰ মতে বৌদ্ধশাস্ত্ৰবোৰ অসুৰবোৰক বিভ্ৰান্ত কৰিবৰ বাবে বিষ্ণুৱে ৰচনা কৰিছিল। শিৱয়ো শৈৱ শাস্ত্ৰবোৰ একে উদ্দেশ্যেৰেই বিষ্ণুৰ পৰামৰ্শত ৰচনা কৰিছিল।

মধ্বৰ মতে যিবোৰ শাস্ত্ৰই আত্মা আৰু ব্ৰহ্মক একে বুলি কয় সেই সকলোবোৰেই অসত্য। তেওঁৰ মতে বিষ্ণুহে আচল ঈশ্বৰ। এই বিষ্ণুক নাৰায়ণ বা বাসুদেৱ নামেৰেও জনা যায়। জগত প্ৰক্ৰিয়া এক সত্য প্ৰক্ৰিয়া। দেৱতা আৰু ভাল মানুহেহে ঈশ্বৰৰ বৰত মুক্তি লভিব পাৰে। অৱশ্যে ইয়াৰ বাবে জ্ঞানৰো দৰকাৰ। সৰ্বসাধাৰণ মানুহ জন্ম-মৃত্যু চক্ৰত পতিত হয় আৰু নীচ মানুহবোৰ নৰকলৈ যায়। অসুৰ আৰু মুক্ত জীৱৰ জন্মান্তৰ



নাই। অসুৰবোৰে কেতিয়াও মুক্তি লাভ কৰিব নোৱাৰে।

মধ্বই মুক্ত জীৱৰ ক্ষেত্ৰতো পাৰ্থক্য দেখিছে।

মধ্বৰ মতে ঈশ্বৰৰ প্ৰতি নিষ্কাম সেৱাই মোক্ষ লাভৰ উপায়। ইয়াৰ বাবে ভক্তিৰ দৰকাৰ। আনকি মুক্ত অৱস্থাতো ভক্তিৰ দৰকাৰ। অন্যান্য ধৰ্মীয় কামে মানুহক নৰক-গমনৰপৰা ৰক্ষা কৰিব নোৱাৰে। কিন্তু অতিশয় পাপী জনেও ভক্তিৰ বলত নৰক-গমন ৰোধ কৰিব পাৰে। ভক্তি বিনা যিকোনো ধৰ্মীয় কামেই পাপ কাম। ভক্তিয়ে পাপক মানুহক স্পৰ্শ কৰাৰ পৰা বিৰত কৰে।

মধ্বই দেখুৱাইছে যে মহাভাৰতৰ সাধুটো ৰূপকধৰ্মী। মহাভাৰতৰ যুদ্ধ হ'ল ভাল আৰু বেয়াৰ মাজৰ সংগ্ৰাম। ইয়াত পাণ্ডৱসকল ভালৰ প্ৰতিনিধি আৰু কৌৰৱ সকল বেয়াৰ। ইয়াত বিষ্ণুৰ মাহাত্ম্যও প্ৰদৰ্শন কৰা হৈছে। মধ্বই ৰামায়ণ আৰু ভাগৱত পুৰাণৰ আধাৰত মহাভাৰতৰ কথাবোৰ ব্যাখ্যা কৰিছে।

তেওঁৰ 'ভাগৱত তাৎপৰ্য নিৰ্ণয়'ত মধ্বই দেখুৱাইছে যে ভাগৱতেও দ্বৈতবাদৰ কথা কয়। তেওঁৰ 'গীতা তাৎপৰ্য'খন গদ্যত লিখা। অৱশ্যে মাজে মাজে পদ্যতো লিখিছে। ইয়াত তেওঁ শংকৰাচাৰ্যৰ অদ্বৈতবাদী ব্যাখ্যাক খণ্ডন কৰিছে। তেওঁ 'গীতা ভাষ্য'ত মধ্বই দেখুৱাইছে যে শাস্ত্ৰবোৰ যিহেতু অপৌৰুষেয় সেইবাবে সেইবোৰ প্ৰামাণ্য-গ্ৰন্থ। ইয়াত তেওঁ দেখুৱাইছে যে মানুহে কৰ্ম আচৰিব লাগে বেদৰ বিধিমতে আৰু নিষ্কাম ভাবে। কৰ্ম কৰাৰ একমাত্ৰ লক্ষ্য হ'ব লাগে অধিক জ্ঞান আৰু অধিক ভক্তি লভিবৰ বাবে। কৰ্ম কৰিব লাগে ভগৱানৰ সন্তুষ্টিৰ বাবে।

মধ্বই কয় যে মানুহৰ এটা জীৱনতে সকলোবোৰ কৰ্মৰ ফলপ্ৰাপ্তি ঘটিব নোৱাৰে। সেয়ে কোনো এটা জীৱনত মানুহে এটাও কৰ্ম নকৰিলেও তেওঁ ফলৰ হাত সাৰিব নোৱাৰে। গতিকে কৰ্ম এৰি থকাটো উচিত কথা নহয়।

মধ্বই নকয় যে পবিত্ৰ স্থানত মৃত্যু হ'লেই মানুহে মুক্তি লাভ কৰে।

মধ্বৰ 'ব্ৰহ্মসূত্ৰ অনুব্যাখ্যান' এখন চমু গ্ৰন্থ। ইয়াত তেওঁ ব্ৰহ্মসূত্ৰৰ তৰ্কীয় অৱস্থানক ব্যাখ্যা কৰিছে। ইয়াত তেওঁ দেখুৱাইছে যে ওঁ-কাৰে ব্ৰহ্মকে বুজায়। ওঁ-কাৰে গায়ত্ৰী মন্ত্ৰৰো তাৎপৰ্য বহন কৰিছে। তেওঁৰ মতে যিসকলে ব্ৰহ্মক জানিবলৈ ইচ্ছা কৰে তেওঁলোকে ঈশ্বৰক সন্তুষ্ট কৰিব লাগিব, কাৰণ তেওঁৰ অনুগ্ৰহত হে ব্ৰহ্মক জানিব পৰা যায়। তেওঁৰ মতে ঈশ্বৰৰ ইচ্ছাতে জগত সৃষ্টিলৈ আহে আৰু ধ্বংসগামী হয়। ঈশ্বৰে জ্ঞানীক মুক্তি আৰু মুৰ্খক জ্ঞান দিয়ে।

মধ্বৰ মতে বন্ধন সত্য। বন্ধনৰ অসত্যতাক প্ৰমাণ কৰিব নোৱাৰি। মানুহৰ আচৰণো সত্য।

‘কথা-লক্ষণ’ত মধ্বই বাদ আৰু বিতণ্ডাৰ মাজত থকা পাৰ্থকৰ বিষয়ে আলোচনা কৰিছে। তেওঁৰ মতে বাদ হ’ল অৰ্থপূৰ্ণ বাদানুবাদ আৰু বিতণ্ডা হ’ল অনৰ্থক তৰ্ক। সাধাৰণতে গুৰু আৰু শিষ্যৰ মাজতে বাদৰ সৃষ্টি হয় যি কিছুমান ৰহস্যমূলক বিষয়ক প্ৰাঞ্জল কৰি তোলে। আকৌ ই দুই শিষ্যৰ মাজৰ তৰ্ককো সামৰে যি তৰ্কই যুক্তিৰ আধাৰত প্ৰকৃত সত্যক উদ্‌ঘাটন কৰে।

বাদ আৰু বিতণ্ডাৰ উপৰি আৰু এবিধ তৰ্ক আছে যাৰ নাম জল্প। জল্প হ’ল অহংকাৰ আৰু দম্ভৰ ভিত্তিত কৰা তৰ্ক। ইয়াত মাত্ৰ যুক্তিৰ বাবেই যুক্তি দিয়া হয় নিজৰ আধিপত্য বিস্তাৰ আৰু পাণ্ডিত্য দেখুৱাবৰ বাবে। যশস্যা অৰ্জনো ইয়াৰ অন্যতম উদ্দেশ্য।

বিতণ্ডাত সঁচা যুক্তিবোৰ খণ্ডন কৰা হয়। ইয়াত যি যুক্তিৰ অৱতাৰণা কৰা হয় ই আচল যুক্তি নহয়, আপাত যুক্তিহে।

মধ্বৰ ‘তত্ত্ব সংখ্যান’ এখন সৰু গ্ৰন্থ। ইয়াত মাত্ৰ এঘাৰটা শ্লোকহে আছে। ইয়াত দুবিধ পদাৰ্থ আছে বুলি কোৱা হৈছে। এই দুবিধ পদাৰ্থ হ’ল স্বতন্ত্ৰ আৰু পৰতন্ত্ৰ। একমাত্ৰ বিষ্ণুহে স্বতন্ত্ৰ। পৰতন্ত্ৰ পদাৰ্থ দুবিধ। অস্তিত্বশীল আৰু অস্তিত্বশীল নোহোৱা। অস্তিত্বশীল পদাৰ্থক ভাৱ-পদাৰ্থ আৰু অস্তিত্বশীল নোহোৱা পদাৰ্থক অভাৱ-পদাৰ্থ বোলা হয়। অভাৱ পদাৰ্থ তিনিবিধ; নাগ-অভাৱ, ধ্বংস-অভাৱ আৰু অত্যন্ত-অভাৱ। ভাব পদাৰ্থ দুবিধ; চেতন আৰু অচেতন। চেতন পদাৰ্থবোৰ দুবিধ ঃ দুখযুক্ত আৰু দুখ বিযুক্ত। দুখযুক্ত পদাৰ্থ দুবিধ ঃ মুক্ত আৰু বদ্ধ। বদ্ধ পদাৰ্থ দুবিধ ঃ যিবোৰ মুক্তি প্ৰাপ্তিৰ যোগ্য আৰু যিবোৰ যোগ্য নহয়। যিবোৰ যোগ্য নহয় সেইবোৰ আকৌ দুবিধত বিভক্ত ঃ যিবোৰ ইতিমধ্যে নৰকত আছে আৰু যিবোৰ নৰকলৈ গৈ আছে।

জড় পদাৰ্থবোৰ তিনি ভাগত বিভক্ত ঃ নিত্য, অনিত্য আৰু নিত্য-অনিত্য। অকল বেদবোৰহে নিত্য, অনিত্য পদাৰ্থ দুবিধত বিভক্ত ঃ সৃষ্ট আৰু অসৃষ্ট। মহৎ, অহম, বুদ্ধি, মন, ইন্দ্ৰিয়, তন্মাত্ৰ, ভূত—এইবোৰ অসৃষ্ট (অসংশ্লিষ্ট)। জগত আৰু জগতত থকা বস্তুবোৰ সৃষ্টি। পুৰাণ, সময় আৰু প্ৰকৃতি নিত্যানিত্য। যি ক্ষেত্ৰত স্বৰূপতঃ পুৰাণ, কাল আৰু প্ৰকৃতি নিত্য, কিন্তু সিহঁতৰ পৰিণামবোৰ অনিত্য।

মধ্বৰ ‘তত্ত্বোদ্যোত’খন অলপ ডাঙৰ গ্ৰন্থ। এইখন গদ্য আৰু পদ্য উভয়তে ৰচিত। ইয়াত কোৱা হৈছে যে মুক্ত জীৱবোৰ ঈশ্বৰতকৈ বেলেগ। নিম্বাৰ্কই কোৱাৰ দৰে বেলেগ আৰু অভেদ দুয়ো হ’ব নোৱাৰে। তেওঁ ‘কৰ্ম নিৰ্ণয়’ নামৰ গ্ৰন্থত কৰ্মৰ স্বৰূপ আৰু বৈদিক কৰ্মৰ ওপৰত আলোচনা আছে। তেওঁ কৈছে যে পূৰ্ব মীমাংসা দৰ্শনত এই বিষয়ে সবিশেষ পোৱা যায়। তেওঁৰ মতে পূৰ্ব মীমাংসাই ঈশ্বৰক অকল স্বীকৃতি নিদিয়াই নহয়, ই ঈশ্বৰৰ ধাৰণাক সজোৰে প্ৰত্যাখ্যানো কৰিছে। মধ্বই নিজে কিন্তু ঈশ্বৰক বিশ্বাস



কৰিছিল। তেওঁৰ মতে ইন্দ্ৰ, অগ্নি আদি দেৱতাসকলে বিষ্ণু বা নাৰায়ণৰ বিভিন্ন ৰূপ।

মীমাংসা দৰ্শনৰ মতে যক্ষ-কাৰ্য লক্ষ্য হ’ল স্বৰ্গ প্ৰাপ্তি। কিন্তু মধ্বৰ বাবে নহয়। মধ্বই কৈছে যে মানুহৰ চূড়ান্ত লক্ষ্য হ’ল জ্ঞান আৰু ঈশ্বৰৰ বৰ লাভ। তেওঁৰ মতে যজ্ঞ-কৰ্ম সম্পাদন কৰিব লাগে কোনো কামনা নোহোৱাকৈ। সেইবোৰক কেৱল বৈদিক বিধি বা ঈশ্বৰৰ আদেশ বুলিহে সম্পাদন কৰিব লাগে। এনে কৰ্মৰ প্ৰয়োজন আত্ম-শুদ্ধিৰ বাবে। আত্ম-শুদ্ধিৰ মাজেৰেহে ঈশ্বৰৰ প্ৰসাদ বা আশীৰ্বাদ লাভ কৰিব পাৰি।

মধ্বৰ মতে জগতখন কাৰ্য-ধৰ্মী। ইয়াৰ এক সচেতন কাৰণ আছে। এই সচেতন কাৰণেই হ’ল ঈশ্বৰ। এই ঈশ্বৰ এক সৰ্বজ্ঞ আৰু সৰ্বশক্তিমান কাৰণ। মধ্বৰ মতে ভাগৱত পুৰাণেও কয় যে ব্ৰহ্ম সগুণ। ব্ৰহ্মক নিৰ্গুণ বুলি কোৱা মানে তেওঁ বেয়া গুণ ৰহিত।

মধ্বৰ মতে ভ্ৰমত দেখা বস্তুটো ইন্দ্ৰিয়-প্ৰত্যক্ষৰ ভিত্তিতে ৰচিত হয়। কিন্তু ভুল ব্যাখ্যাৰ বাবে আচল বস্তুটোৰ ঠাইত আমি অন্য এটা বস্তু দেখোঁ। যেতিয়া ভুল ভাগে তেতিয়া আমি মূল প্ৰত্যক্ষলৈ ঘূৰি যাওঁ। ভ্ৰমাত্মক বস্তুটোও আচল বস্তু। কিন্তু অন্য ঠাইত থকা বস্তুটো বৰ্তমানৰ পৰিস্থিতিত থকা যেন লাগে। ইয়াত জড়িত ‘মিথ্যা’ কথাটোৱে বস্তুটোৰ অস্তিত্বহীনতাক বুজোৱা নাই। বস্তুটো ক’ৰবাত নিশ্চয়কৈ আছে, মাত্ৰ বৰ্তমান পৰিস্থিতিত নাই। বৰ্তমানৰ পৰিস্থিতিতহে ই ‘অসৎ’, একেবাৰে ‘অসৎ’ নহয়। আচল জ্ঞানলৈ ঘূৰি অহাৰ সময়ত প্ৰত্যক্ষটোহে খণ্ডিত হয়; সামগ্ৰিক ৰূপে ভ্ৰমাত্মক বস্তুটোক নশ্চাৎ কৰা নহয়।

মধ্বই দেখুৱাইছে যে সকলোবোৰ বৈদিক কথাই ঈশ্বৰৰ গুণকে বখানিছে। কেৱল বেদৰ মাধ্যমেৰেহে ঈশ্বৰক জানিব পাৰি, প্ৰত্যক্ষ, অনুমান আদি প্ৰমাণেৰে নোৱাৰি। বেদসমূহ মানৱ-সৃষ্ট নহয়। সেয়ে বেদবাক্যবোৰ সৰ্বসাধাৰণ বাক্যতকৈ বেলেগ। বেদ নিজে নিজে অস্তিত্বশীল। ঋষি সকলে বৈদিক বাক্যবোৰ কেৱল প্ৰকাশহে কৰে, সৃষ্টি নকৰে। সেয়ে বেদ তৰ্কাতীত আৰু অব্যৰ্থ। বেদবোৰ অপৌৰুষেয় হোৱা বাবে সেইবোৰত কোনো অৰ্থ-দোষ নাথাকে।

মধ্বৰ মতে সকলোবোৰ জ্ঞান স্বতঃপ্ৰামাণ্যমূলক। কেৱল অসত্য জ্ঞানহে বাহ্যাৰোপিত। বিশেষকৈ বৈদিক জ্ঞান নিত্য। বেদবাক্যবোৰৰ অৰ্থ ইতিমধ্যে নিৰ্ণয় কৰা থাকে। সেয়ে আমি বেদবাক্যৰ ওপৰতে চূড়ান্তভাৱে নিৰ্ভৰ কৰিব লাগিব, আনকি ঈশ্বৰৰ অস্তিত্বৰ বাবেও। অনুমান আদিয়ে ঈশ্বৰৰ অস্তিত্ব সাব্যস্ত কৰিব নোৱাৰে, কাৰণ একে অনুমানৰ দ্বাৰা ঈশ্বৰ নাই বুলিও ক’ব পাৰি। জগতৰ স্ৰষ্টা আছে বুলি ভাবিলে স্ৰষ্টা নাই বুলিও ভাবিব পাৰি। আমি ঈশ্বৰক স্ৰষ্টা বুলি ভাবোঁ মানৱ-স্ৰষ্টাৰ আৰ্হিত। কিন্তু মানুহৰ দেহ আছে। ঈশ্বৰৰ সাধাৰণতে দেহ নাই বুলি ভবা হয় বাবে তেওঁ স্ৰষ্টাও

হ’ব নোৱাৰে। সেয়ে ঈশ্বৰৰ অস্তিত্বৰ বাবে অনুমানৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি। মধ্বৰ মতে সকলো অনুমানেই আপেক্ষিক।

মধ্বাচাৰ্যই আত্মাবোৰৰ মাজত গুণগত আৰু পৰিমাণগত উভয় পাৰ্থক্যকে মানি লৈছে। দুটা আত্মাৰ ক্ষেত্ৰত কোনো ক্ষেত্ৰতে মিল নাই। আনকি মুক্তি অৱস্থাতো আত্মাই এই পাৰ্থক্য মানি চলে।

মধ্বই ঈশ্বৰৰ আত্মা আৰু দেহৰ মাজত পাৰ্থক্য নাই বুলি কয়। সেইদৰে ঈশ্বৰ মুক্ত আত্মাৰ পৰাও বেলেগ। মুক্তাত্মা ঈশ্বৰতকৈ তল খাপৰ।

ঈশ্বৰ হ’ল জগতৰ নিমিত্ত কাৰণ। জগতৰ উপাদান কাৰণ ঈশ্বৰ নহয়, প্ৰকৃতিহে। ঈশ্বৰে প্ৰকৃতিৰপৰাই জগতক সৃষ্টি কৰিছে।

মুক্তাত্মাই চাৰি বিধ আনন্দ উপভোগ কৰে ঃ সালোক্য, অৰ্থাৎ ই ঈশ্বৰৰ লোকত অৱস্থান কৰে। সামীপ্য, অৰ্থাৎ ই ঈশ্বৰৰ ওচৰতে থাকে। সাৰূপ্য, অৰ্থাৎ ইয়াৰ বাহ্য ৰূপটো ঈশ্বৰৰ দৰেই হয়। সাযুক্ত্য, অৰ্থাৎ ঈশ্বৰৰ দেহত সোমোৱা আৰু ঈশ্বৰৰ আনন্দত অংশ লোৱা। কিন্তু আত্মাই ঈশ্বৰৰ আনন্দৰ ভাগ আংশিক ৰূপতহে পায়। ই ব্ৰহ্ম-প্ৰকাৰত্ব অৰ্থাৎ ঈশ্বৰৰ সমান হ’ব নোৱাৰে। তাৰতম্য তেতিয়াও থাকি যায় (দ্ৰ. মধ্বৰ ‘গীতা ভাষ্য’)।

কিছুমান আত্মা সদায় আন্ধাৰত ডুব গৈ থাকে। সিহঁতে কেতিয়াও মুক্তি লাভ কৰিব নোৱাৰে।

মধ্বই জগতৰ সকলো বস্তুকে দহটা পদাৰ্থত অন্তৰ্ভুক্ত কৰিছে। এই দহটা পদাৰ্থ হ’ল ঃ দ্ৰব্য, গুণ, ক্ৰিয়া, জাতি, বিশেষত্ব, বিশিষ্ট, অংশী, শক্তি, সাদৃশ্য আৰু অভাব। এই সকলোবোৰ পদাৰ্থই হৰিৰ অধীন। সেয়ে তেওঁৰ মতবাদক কেতিয়াবা ‘স্বতন্ত্ৰ অস্বতন্ত্ৰ-বাদ’ নামেৰেও জনা যায়।

মধ্বৰ মতে জীৱ ভগৱানৰ দাস। জীৱ সেৱক, ব্ৰহ্ম সেৱা। জীৱই প্ৰভুৰ সমান হ’বলৈ গ’লে প্ৰভুৱে তেওঁক দণ্ড বিহে। সেয়ে মধ্বই উপনিষদৰ ‘অহং ব্ৰহ্মাস্মি’, ‘তত্ত্বমাসি’ আদি কথাবোৰৰ বেলেগ ব্যাখ্যা কৰিছে।

জীৱ চিৰকাল অপূৰ্ণ হৈ থাকে। ই কেতিয়াও পূৰ্ণতা লাভ কৰিব নোৱাৰে। একমাত্ৰ ব্ৰহ্মহে পূৰ্ণ। তেওঁ জীৱ আৰু জগতৰপৰা একেবাৰে বেলেগ। জীৱৰ মুক্তি সম্ভৱ হয় ভগৱানৰ প্ৰসাদত।

**মধ্বাচাৰ্যৰ জ্ঞানমীমাংসা**

ৰামানুজৰ দৰেই মধ্বাচাৰ্যই প্ৰত্যক্ষ, অনুমান আৰু শব্দ জ্ঞানৰ এই তিনিটা প্ৰমান



মানি লৈছে। তেওঁৰ মতে ঈশ্বৰক কেৱল শাস্ত্ৰৰ মাধ্যমেৰেহে জানিব পাৰি।

মধ্বই কৈছে যে জ্ঞানে জ্ঞাতা আৰু জ্ঞেয় উভয়কে প্ৰকাশ কৰে। তেওঁ জ্ঞানৰ স্বৰূপ-প্ৰামাণ্যক বিশ্বাস কৰে।

মধ্বৰ মতে জগতত থকা বিভিন্ন বস্তু আৰু ঘটনা অনুসৰি বেলেগ বেলেগ মানসিক ধাৰণা আছে। ধাৰণা এক নহয়, বহু।

আমি ওপৰত কৈ আহিছোঁ যে মধ্বই তিনিবিধ প্ৰমাণকহে মানি লয়। তেওঁ উপমান নামৰ প্ৰমাণক অনুমানৰ ভিতৰত ধৰে ।লগতে তেওঁ প্ৰত্যক্ষ আৰু অনুমানৰ সীমাবদ্ধতাৰ কথাও দোহাৰিছে। এই দুই প্ৰমাণেৰে বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্য ভেদ কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে প্ৰত্যক্ষ জ্ঞান ইন্দ্ৰিয়ৰ ওপৰত নিভৰশীল। অনুমানেও আমাক একো নতুন কথা ক’ব নোৱাৰে। ই কেৱল জ্ঞান সঁচানে মিছা তাকহে প্ৰমাণ কৰিব পাৰে আৰু বিশৃংখলিত জ্ঞানিক তথ্যবোৰৰ মাজত শৃংখলা বা সামঞ্জস্য স্থাপন কৰিব পাৰে।

মধ্বৰ মতে সত্তাৰ আচল জ্ঞান লাভৰ বাবে আমি বেদৰ ওপৰত নিৰ্ভৰ কৰিবই লাগিব। তেওঁ বেদৰ প্ৰামাণ্যক বিশ্বাস কৰে। কিন্তু পৌৰুষেয় শাস্ত্ৰক প্ৰামাণ্য বুলি লোৱা নাই। বেদক অপৌৰুষেয় এই বাবেই বোলা হয় কাৰণ এইবোৰ কোনেও ৰচনা কৰা নহয়।

মধ্বৰ মতে জ্ঞাতা আৰু জ্ঞেয়ৰ মাজৰ সম্পৰ্ক অপৰোক্ষ হ’লেহে আচল সত্যক জানিব পাৰি। এনে জ্ঞান ভুল হ’ব নোৱাৰে। আনকি ভ্ৰমাত্মক প্ৰত্যক্ষতো আমি পোৱা তথ্যবোৰ সত্য। মাত্ৰ বস্তু এটাৰ সামগ্ৰিক দৃষ্টি আমাৰ চকুত নপৰা বাবে আমি ভুল কৰোঁ। এটা বস্তুক অন্য এটাৰ দৰে দেখাৰ বাবে ভুল হয়। জগতৰ ক্ষেত্ৰতো এয়েই ঘটে। জগতক জগত ৰূপে নেদেখি অন্য ৰূপে দেখিলেই জগত অসত্য বুলি আমি ভুল কৰোঁ। আচলতে জগত অসত্য নহয়।

**মধ্বাচাৰ্য আৰু শংকৰাচাৰ্য**

কোৱা হয় যে মধ্বাচাৰ্য শংকৰাচাৰ্যৰ জন্মগত শত্ৰু আৰু কোৱা হয় যে শংকৰাচাৰ্যৰ শিষ্যসকল বৰ অত্যাচাৰী আছিল। তেওঁলোকে মঠ-মন্দিৰবোৰ ভাঙি পেলাইছিল, গৰু-ম’হ মাৰিছিল, শিশু আৰু তিৰোতাক হত্যা কৰিছিল। শংকৰাচাৰ্যৰ দৰ্শনক বিৰোধিতা কৰা প্ৰজ্ঞাতীৰ্থক জোৰকৈ তেওঁলোকে অদ্বৈত বেদান্তৰ পথলৈ আনিছিল। কিন্তু তাৰ মাজতে অচ্যুতপ্ৰেক্ষ নামৰ এজন দাৰ্শনিক নিজৰ বিশ্বাসত অটল হৈ আছিল। তেঁৱেই আছিল মধ্বাচাৰ্যৰ গুৰু।

কোৱা হয় যে মধ্বাচাৰ্যই শংকৰৰ দৰ্শন নিপাত কৰিবৰ বাবেই অৱতাৰ লৈছিল। তেওঁ শংকৰৰ দৰ্শনক লোকায়ত দৰ্শনৰ লগত একে বুলি কৈছিল। এই দৰ্শন আনকি

লোকায়ত, জৈন, পাশুপত আদি দৰ্শনতকৈও ভয়াৱহ আছিল।

প্ৰথমতে মধ্বই শংকৰাচাৰ্যৰ দৰ্শনত দীক্ষিত হৈছিল। লাহে লাহে তেওঁ নিজস্ব দৃষ্টিভংগী পোষণ কৰে। তেওঁৰ এই দৃষ্টিভংগীৰ শাংকৰ পন্থৰ সম্পূৰ্ণ বিপৰীত হৈ পৰে। তেওঁ এজন এজনকৈ শাংকৰপন্থী পণ্ডিতসকলক তৰ্কত হৰুৱাবলৈ ধৰে। বিশেষকৈ তেওঁ অনন্তপুৰত (ত্ৰিবান্দ্ৰম) থাকোতে শ্ৰীংগেৰি মঠৰ শাংকৰপন্থীসকলৰ লগত অবিৰত ভাৱে বাগ্‌যুদ্ধত লিপ্ত হৈছিল।

শংকৰাচাৰ্যৰ অদ্বৈতবাদক মধ্বই সমূলঞ্চে প্ৰত্যাখ্যান কৰিছে। তেওঁ কৈছে যে যদিও ঈশ্বৰ মানুহত প্ৰতিফলিত হয় তথাপি এই প্ৰতিফলনত মূল ঈশ্বৰজন প্ৰতিফলিত নহয়। এই প্ৰতিফলনত যি 'উপাধি'ৰ (চৰ্ত) সৃষ্টি হৈছে সিয়েই মানুহ আৰু ঈশ্বৰক বেলেগ কৰিছে। পানী পানীত মিলাৰ দৰে আত্মা ব্ৰহ্মত মিলাৰ কথা ক'লৈও ইয়াৰো পাৰ্থক্য আছে। পানী পানীত মিলিলেও পানীৰ মাজত পাৰ্থক্য আছে। অন্ততঃ পৰিমাণৰ ক্ষেত্ৰত। ঠিক তেনেকৈ জীৱ আৰু ব্ৰহ্মাৰ মাজতো পাৰ্থক্য আছে। সেয়ে মুক্তিত আত্মা মাত্ৰ ভগৱানৰ ওচৰলৈহে আহে, ভগৱানৰ লগত এক হৈ নাযায়। মুক্তিত মাত্ৰ আত্মাই নিজৰ দুখাত্মক অৱস্থাবোৰহে ত্যাগ কৰে। মোক্ষাৱস্থাত কোনো আত্মাই দুখ ভোগ নকৰে।

মধ্বই শংকৰৰ তিনিবিধ সত্য যেনে, পাৰমাৰ্থিক, ব্যৱহাৰিক আৰু প্ৰতিভাষিকক বিশ্বাস নকৰে। তেওঁ কয় যে জগত যদি প্ৰকৃততে অসত্য তেন্তে মানুহৰ ইয়াৰ প্ৰতি অনুৰাগ কিয় থাকিব ? ব্ৰহ্মকে কেতিয়াও একমাত্ৰ অস্তিত্বশীল সত্তা বুলি ভাবিব নালাগে। ব্ৰহ্ম-অভিজ্ঞতাই জগত-অভিজ্ঞতাক নুই কৰিব নোৱাৰে। জগত অসত্য হ'লে অসত্যক জনা হ'ব যিটো অসম্ভৱ।

নিজস্ব প্ৰভাযুক্ত ব্ৰহ্মাক অজ্ঞানে কেনেকৈ ঢাকে এই কথা মধ্বই বুজা নাই। তেওঁ শ্ৰুতিৰ আধাৰতে শংকৰৰ অনিৰ্বচনীয়বাদক প্ৰত্যাখ্যান কৰিছে। তেওঁৰ মতে প্ৰত্যক্ষ, অনুমান আৰু অৰ্থাপত্তিৰ ভিত্তিতো ইয়াক সাব্যস্ত কৰিব নোৱাৰি। গতিকে জগতখনক অনিৰ্বচনীয় বুলি কৈ উৰাই দিব নোৱাৰি। ('ন চ বাধ্যং জগদ্ ইত্যত্ৰ কিঞ্চিন্‌মানম্'— 'তত্ত্বোদ্দ্যোত'।) যদি জগতখন মিছা হয় তেন্তে যি যুক্তিৰে ইয়াক মিছা বুলি কোৱা হৈছে সেই যুক্তিও মিছা হ'ব। যদি ব্ৰহ্মাহে এক মাত্ৰ শুদ্ধ-সত্তা হয় জগত নহয়, তেন্তে জগত ব্ৰহ্মতকৈ বেলেগ হ'বলৈ বাধ্য।

জ্ঞাতা, জ্ঞান আৰু জ্ঞেয়ৰ মাজত যিহেতু পাৰ্থক্য আছে সেয়ে সত্তাবোৰৰ মাজতো পাৰ্থক্য আছে। আত্মাকে সাধাৰণতে জ্ঞাতা বুলি ধৰা হয়। যদি আত্মা আৰু ব্ৰহ্ম একে হয় তেন্তে নিৰ্গুণ ব্ৰহ্মাৰ লগতে আত্মাক একে কৰা হ'ব আৰু তেতিয়া আত্মা জ্ঞাতা হ'ব



নোৱাৰিব কাৰণ নিৰ্গুণ কিবা এটা জ্ঞাতা হ'ব নোৱাৰে। আত্মা যদি জ্ঞাতা নহয় তেন্তে ই জড় সমান হ'ব। তদুপৰি জগতৰ বস্তুবোৰ যদি অলীক হয় তেন্তে জ্ঞান সম্ভৱ নহ'ব। কাৰণ জ্ঞানৰ বাবে জ্ঞেয় অপৰিহাৰ্য।

মধ্বৰ মতে কাল আৰু প্ৰকৃতিও প্ৰকৃত কাৰণ। কাল আৰু প্ৰকৃতিক সময়ৰ দ্বাৰা সীমাবদ্ধ কৰিব নোৱাৰি।

এইদৰে সকলো ক্ষেত্ৰতে জগতখনক সত্য হিচাপেই দেখা যায়। কোনেও চকুৰে দেখা জগতখনক অসত্য বুলি ক'ব নোৱাৰে। বহুতে ক'ব খোজে যে আমি দেখা সূৰ্য আৰু চন্দ্ৰ সত্য নহয়, কাৰণ চন্দ্ৰ আৰু সূৰ্য আমি দেখাতকৈ বহুত ডাঙৰ। কিন্তু সেইবুলি জগতৰ সকলো বস্তুকে অসত্য বুলি ক'ব নোৱাৰি। চন্দ্ৰ-সূৰ্যক সৰু যেন দেখায় যিহেতু সিহঁত দুটা আমাৰপৰা বহুত দূৰৈত আছে। গতিকে জগতখন অবিদ্যা জাত নহয়। জগতখনক যাদুকৰৰ যাদুৰ লগতো তুলনা কৰিব নোৱাৰি, কাৰণ যাদুকৰে নিজৰ যাদুৰ সৃষ্টিক দেখা নাপায়, যি ক্ষেত্ৰত ঈশ্বৰে তেওঁৰ সৃষ্টিক দেখা পায়। গতিকে জগত যাদুকৰৰ মায়া নহয়।

মধ্বই কৈছে যে আচলতে ব্ৰহ্মসূত্ৰৰ দ্বিতীয় খণ্ডত অদ্বৈতবাদকে খণ্ডন কৰা হৈছে। তদুপৰি ব্ৰহ্মসূত্ৰৰ বৌদ্ধবাদৰ খণ্ডনে অদ্বৈতবাদৰ খণ্ডনকে বুজায়। অদ্বৈতবাদীসকল আচলতে ছদ্মবেশী বৌদ্ধবাদী। কাৰণ নিৰ্গুণ ব্ৰহ্ম আৰু শূন্যৰ মাজত কোনো পাৰ্থক্য নাই। ব্ৰহ্ম নিত্য আৰু স্ব-প্ৰকাশিত হোৱাৰ দৰে শূন্যও নিত্য আৰু স্বপ্ৰকাশিত। ব্ৰহ্মও জড় নহয়, শূন্যও নহয়; ব্ৰহ্মাৰ গাতো পাৰ্থক্য নাই, শূন্যৰ গাতো নাই। ব্ৰহ্মও দুখত নমজে, শূন্যও নমজে; ব্ৰহ্মও বন্ধন-প্ৰাপ্ত নহয়, শূন্যও নহয়। গতিকে উভয়েই এক অন্তঃসাৰশূন্য অস্তিত্ব। উভয়েই অচিন্ত্য।

অদ্বৈতবাদী সকলে ঈশ্বৰক বিশ্বাস নকৰে। তদুপৰি সকলোবোৰ আত্মা যিহেতু একে, এতেকে বদ্ধ আৰু মুক্ত জীৱৰ মাজত পাৰ্থক্য নাথাকিব। আকৌ ব্ৰহ্ম যদি সকলো আত্মাৰ সৈতে একে তেন্তে আত্মাৰ দুখে ব্ৰহ্মাকো চুব।

গীতায়ো কয় যে ঈশ্বৰে নিজকে আত্মাতকৈ বেলেগ বুলি দেখে। এতেকে মায়াবাদৰ প্ৰভাৱ গীতাতো নাই। ইয়াৰ আধাৰতে মধ্বই এটা শ্লোক ৰচিছে। শ্লোকটো এই ঃ

"পলায়ধ্বং পলায়ধ্বং ত্বৰয়া মায়িদানৱাঃ।
সৰ্বজ্ঞো হৰিৰ্আয়াতি তৰ্কাগম দৰাৰিভেদ্।।"

('তত্ত্বোদ্দ্যাত')

ইয়াৰ অৰ্থ হ'ল ঃ এয়েই উপযুক্ত সময় যে মায়াযুক্ত দানৱবোৰ পলাব লাগিব, কাৰণ সৰ্বজ্ঞ হৰি আহিছে। তৰ্কবাদী সকলক ভয় খুৱাবৰ বাবে।

মধ্বই শংকৰাচাৰ্যৰ নিৰ্গুণ ব্ৰহ্মৰ ধাৰণাক প্ৰত্যাখ্যান কৰিছে। তেওঁ কয় যে ব্ৰহ্মৰ অসীম সংখ্যক গুণ আছে। তদুপৰি ভেদহীন ব্ৰহ্মৰ ধাৰণাকো তেওঁ প্ৰত্যাখ্যান কৰিছে। তেওঁৰ মতে 'সত্যং জ্ঞানং অনন্তং ব্ৰহ্ম' এই কথাবোৰে যদি এক নৈৰ্ব্যক্তিক ব্ৰহ্মৰ ধাৰণা দিয়ে, তথাপি এইবোৰ কথা দ্বৈতবাদী ধৰণাবোৰৰে অন্তৰ্ভুক্ত।

মধ্বই শংকৰৰ মায়া, মিথ্যা, অনিৰ্বচনীয় আদি সকলো ধাৰণাকে প্ৰত্যাখ্যান কৰিছে। তদুপৰি ব্ৰহ্মক সৎও নহয় অসতো নহয় বুলি কোৱাটো তৰ্কশাস্ত্ৰৰ মধ্য-বিলোপ সিদ্ধান্তৰ পৰিপন্থী। অনিৰ্বচনীয় কথাটোৱে 'সৎও নহয় অসতো নহয়' এই কথাটো নুবুজায়। ই মাত্ৰ পৰিস্থিতিটো যে জটিল তাৰহে আভাস দিয়ে।

মধ্বই কয় যে দ্বৈতবাদ কেৱল ব্যৱহাৰিক জগততে নাই, পাৰমাৰ্থিক জগততো আছে। স্বৰূপ সত্তাত অভেদ আৰু তটস্থ সত্তাত ভেদ থকা কথাটো মানি ল'ব নোৱাৰি। ভেদ যদি তটস্থ লক্ষণত থাকে তেন্তে স্বৰূপ লক্ষণতো থাকিব। যদি জগত আৰু ব্ৰহ্মৰ মাজত কেৱল অভেদ সম্পৰ্কহে বৰ্তমান তেন্তে প্ৰকাশিত জগতৰ কথা ভবাই অসম্ভৱ হ'ব।অভেদ বস্তুটো পুনৰুক্তিমূলক।

অনস্তিত্ব মানে শংকৰাচাৰ্যই শহা পহুৰ শিং বা বাজী তিৰোতাৰ সন্তান নহয় বুলি কোৱাটোও অবান্তৰ কথা, কাৰণ অনস্তিত্ব মানে আচলতে শহা পহুৰ শিঙৰ নিচিনা বস্তুকে বুজায়।

মধ্বই ওপৰৰ কথাবোৰ বেদৰ ওপৰতে ভিত্তি কৰি কৈছে। তেওঁৰ মতে কোনো বেদেই কোৱা নাই যে আত্মাবোৰ ঈশ্বৰৰ সৈতে একে। তথাপি বেদ-উপনিষদত অভেদ সম্পৰ্কীয় বহুত কথাই পোৱা যায়। কিন্তু এই কথাবোৰ ভেদবাদৰ ওপৰত থকা কথাবোৰতকৈ তল খাপৰ, কাৰণ ভেদবাদৰ কথাবোৰকহে অন্যান্য প্ৰমাণৰ দ্বাৰা সাব্যস্ত কৰিব পাৰি।

আমি ঈশ্বৰৰ লগত একে হোৱা হেঁতেন ঈশ্বৰৰ প্ৰতি আমাৰ আসক্তি নাথাকিলহেঁতেন। ঈশ্বৰ আৰু মানুহৰ মাজত পাৰ্থক্য আছে বাবেই মানুহৰ ঈশ্বৰৰ প্ৰতি আসক্তি আছে।

সকলো বস্তু যদি একে হয় তেন্তে গৰু, ম'হ, মানুহ আদিৰ মাজত পাৰ্থক্য নাথাকিলহেঁতেন বা সেইবোৰক পাৰ্থক্যমূলক ভাবে প্ৰত্যক্ষ কৰাও সম্ভৱ নহ'লহেঁতেন। আমি যিহেতু বস্তুবোৰক পাৰ্থক্যমূলকভাৱে দেখো সেয়ে ভেদ বিদ্যমান।

আত্মা আৰু ব্ৰহ্মক যেতিয়া একে বুলি ভবা হয় তেতিয়া ব্ৰহ্মৰ গুণখিনি আত্মায়ো অধিকাৰ কৰিব লাগিব। অৰ্থাৎ তেতিয়া আত্মা সৰ্বজ্ঞ, সৰ্বশক্তিমান, দুখ আৰু দোষ ৰহিত হ'ব। এই কথা অসম্ভৱ। সেয়ে আত্মা আৰু ব্ৰহ্ম একে নহয়। 'যাক জানিলে



সকলোকে জনা যায়' এই শ্ৰুতিবাক্যৰ অৰ্থ হ'ল জ্ঞানত এটা সময়ত মাত্ৰ এটাহে বিষয় থাকে, একাধিক বিষয় নাথাকে। সেয়ে একে সময়তে আমি বালিছন্দা আৰু ৰূপ একেলগে নেদেখোঁ। এটা দেখিলে আনটো নেদেখি। অৱশ্যে এটা নিৰ্দিষ্ট বস্তুত সেই বস্তুটোৰ শ্ৰেণী বা জাতিটোকো দেখা যায়।

এটা বস্তুক দেখিলে আনবোৰ দেখা নাযায়। তাৰ দ্বাৰা এই কথা নুবুজায় যে অন্যবোৰ বস্তু অস্তিত্বও নাই। সেইদৰে ব্ৰহ্মক জনা মানে অন্যবোৰ বস্তুৰ অস্তিত্বহীনতাক নুবুজায়।

**মধ্বাচাৰ্য আৰু ৰামানুজাচাৰ্য**

ৰামানুজ আৰু মধ্ব উভয়ে জ্ঞানৰ তিনিটা প্ৰমাণ মানি লয়। এই তিনিটা প্ৰমাণ হ'ল প্ৰত্যক্ষ, অনুমান আৰু শব্দ। ৰামানুজৰ দৰে তেওঁও কয় যে পূৰ্বমীমাংসা আৰু উত্তৰমীমাংসা একেটা দৰ্শনেই। ৰামানুজৰ দৰে তেওঁও ঈশ্বৰ, আত্মা আৰু প্ৰকৃতি এই তিনি সত্তাক মানি লয় আৰু এই তিনি সত্তাক নিত্য বুলি ধৰে। অৱশ্যে আত্মা আৰু প্ৰকৃতি ঈশ্বৰৰ ওপৰত নিৰ্ভৰশীল।

ৰামানুজৰ ধৰ্মীয় দৰ্শনে মধ্বক বাৰুকৈয়ে প্ৰভাৱিত কৰে। কিন্তু দুয়োৰে মাজত তফাৎ আছে। মধ্ব এজন দ্বৈতবাদী দাৰ্শনিক, যি ক্ষেত্ৰত ৰামানুজ অদ্বৈতবাদী, যদিও তেওঁৰ অদ্বৈতবাদ 'বিশিষ্ট'। মধ্বৰ মতে অদ্বৈতবাদ মিথ্যা, দ্বৈতবাদহে সঁচা। তেওঁৰ মতে জগতৰ বস্তুবোৰ দ্ৰব্য ধৰ্মী, অন্যহাতে ৰামানুজৰ মতে বিশেষণধৰ্মী। তেওঁ ৰামানুজৰ অপৃথকসিদ্ধি ধাৰণাটো প্ৰত্যাখ্যান কৰিছে। তেওঁ আত্মা (চিৎ) আৰু প্ৰকৃতিক (অচিৎ) ভগৱানৰ শাৰীৰ বুলিও ধৰা নাই। প্ৰকৃতি আৰু আত্মা ভগৱানৰ গাত নাথাকে, ইহঁত ভগৱানৰ ওপৰত নিৰ্ভৰশীলহে। ৰামানুজৰ দৰে মধ্বইও আত্মাৰ বহুত্বক মানি লৈছে। যদিও সকলো আত্মাৰ স্বৰূপ একেই। কিন্তু দুটা আত্মাৰ মাজত প্ৰভেদ চকুত লগাকৈ থাকে। প্ৰতিটো আত্মাৰে নিজস্ব বৈশিষ্ট্য আৰু ব্যক্তিত্ব আছে। আনকি মুক্তিতো আত্মাই এই পাৰ্থক্য বজাই ৰাখে। এই আত্মাবোৰৰ মাজত জ্ঞান আৰু আনন্দৰ ক্ষেত্ৰতো তাৰতম্য আছে। এইটো মধ্বৰ মত, ৰামানুজৰ নহয়।

মধ্বই ঈশ্বৰৰ দেহ আৰু আত্মাৰ মাজত পাৰ্থক্য অনা নাই, ৰামানুজে আনিছে। মধ্বৰ মতে ঈশ্বৰেই জগতৰ একমাত্ৰ নিমিত্ত কাৰণ। তেওঁ প্ৰকৃতিৰপৰা জগতৰ উদ্ভৱ কৰাইছে। অন্যহাতে ৰামানুজে ঈশ্বৰক নিমিত্ত আৰু উপাদান এই দুয়ো কাৰণৰ অৰ্থত লৈছে।

মধ্ব আৰু ৰামানুজ উভয়ে ব্ৰহ্মৰ নিৰ্গুণত্বৰ তাৎপৰ্য দিছে এইদৰে যে তেওঁৰ কোনো বেয়া গুণ নাই। তেওঁক নিৰ্ধাৰণ কৰিব নোৱৰা অৰ্থতো নিৰ্গুণ শব্দটো ব্যৱহৃত হৈছে।

দ্ৰব্য হিচাপে গুণবোৰ ব্ৰহ্মৰ গাতে পৃথক কৰিব নোৱাৰাকৈ থাকে (অপৃথক সিদ্ধ)। মধ্বই এই কথা মানি লোৱা নাই। তেওঁৰ মতে গুণবোৰক দ্ৰব্যৰপৰা পৃথক কৰিব পাৰি। দ্ৰব্য মাত্ৰ গুণৰ আধাৰ বা আশ্ৰয়হে।

**মধ্বাচাৰ্য, নিম্বাৰ্কাচাৰ্য আৰু বল্লভাচাৰ্যৰ বেদান্তৰ তুলনা**

যদিও তিনিও জনেই মূল বেদান্ত পুথি ব্ৰহ্মসূত্ৰৰ ব্যাখ্যা দাঙি ধৰিছে তথাপি তেওঁলোকৰ মাজত দৃষ্টিভংগীমূলক পাৰ্থক্য আছে। শংকৰাচাৰ্য আৰু ৰামানুজৰ দৰেই তেওঁলোক তিনিজনেই তিনিটা বেদান্ত শাখা গঠন কৰিছে। মধ্বই গঠন কৰিছে দ্বৈতবাদী বেদান্ত, নিম্বাৰ্কই গঠন কৰিছে দ্বৈত-অদ্বৈতবাদী বেদান্ত আৰু বল্লভে গঠন কৰিছে শুদ্ধ অদ্বৈত বেদান্ত। তেওঁলোকৰ এই দৃষ্টিভংগীৰ পাৰ্থক্য বেদান্তৰ মূল বিষয়সমূহ যেনে ব্ৰহ্ম, মায়া, আত্মা, মোক্ষ, জ্ঞান, প্ৰমাণ, সত্যতা, মিথ্যাত্ব আদিত ওলাই পৰিছে।

বহুতো কথাত তেওঁলোক তিনিওজনৰ মাজত মিলো আছে। যেনে, মধ্ব আৰু নিম্বাৰ্ক উভয়ে ঈশ্বৰ, আত্মা আৰু প্ৰকৃতি এই তিনি সত্তাৰ অস্তিত্বক মানি লৈছে। দুয়োজনেই আত্মাক আনবিক বুলি ধৰে। অৰ্থাৎ আত্মাৰ আকাৰ অণু সদৃশ। উভয়ে আত্মাৰ বহুত্বক স্বীকাৰ কৰে। দুয়ো কয় যে আত্মা নিত্য। উভয়ে ভগৱান যে ব্যুহত প্ৰকাশিত হয় এই কথা মানে।

ওপৰৰ কথাবোৰত উভয়ৰ মাজত মিল থাকিলেও কিছুমান ক্ষেত্ৰত আকৌ পাৰ্থক্য বা দ্বিমতো আছে। যেনে, মধ্বই কয় যে মুক্তি ভক্তিৰ দ্বাৰা সম্ভৱ। অন্যহাতে নিম্বাৰ্কই কয় যে ই সম্ভৱ জ্ঞানৰ দ্বাৰা। মধ্বই ঈশ্বৰক কেৱল নিমিত্ত কাৰণ বুলি ধৰে, নিম্বাৰ্কই ঈশ্বৰক নিমিত্ত আৰু উপাদান উভয় কাৰণ বুলি ধৰে। এই ক্ষেত্ৰত বল্লভ নিম্বাৰ্কৰ লগত একমত।

মধ্বই কয় যে আত্মা ঈশ্বৰৰ অধীনত থকা এক অংশ আৰু ঈশ্বৰৰপৰা ই বেলেগ। নিম্বাৰ্কই আত্মাক সসীম বুলি মানে। ই ঈশ্বৰৰ ওপৰত নিৰ্ভৰশীল যদিও ঈশ্বৰতকৈ বেলেগ। কিন্তু ঈশ্বৰৰ শক্তি হিচাপে ই ঈশ্বৰৰ সৈতে থাকে। বল্লভৰ মতে আত্মা হ'ল ঈশ্বৰৰ অংশ যদিও ই ঈশ্বৰৰ সৈতে থাকে। ইয়াৰ সীমাবদ্ধ প্ৰকাশৰ বাবে ই ঈশ্বৰতকৈ বেলেগ।